চমুটোকা এটা যুগুত কৰক।

প্রশ্ন ৭ ঃ সংস্কৃতৰ লিংগৰ লগত পালি-প্রাকৃত-অপভ্রংশৰ লিংগৰ এক তুলনামূলক আলোচনা যুগুত কৰক।

প্রশ্ন ৮ ঃ সংস্কৃতৰ লিংগ আৰু বচনে পালি-প্রাকৃত-অপভ্রংশত কেনে পৰিৱর্তন লাভ কৰিছে সেই সম্পর্কে এক চমু আলচ যুগুত কৰক।

প্রশ্ন ৯ ঃ সংস্কৃত বচন আৰু লিংগ নির্ণয়ত সুপ্ বিভক্তিয়ে কেনে ভূমিকা গ্রহণ কৰে সেই সম্পর্কে চমুকৈ উল্লেখ কৰক।

প্রশ্ন ১০ ঃ সংস্কৃতৰ লগত পালি-প্রাকৃত-অপভ্রংশৰ বচন, লিংগ আৰু কাৰক নির্ণয় কৰা শব্দৰূপৰ এক তুলনামূলক আলোচনা দাঙি ধৰক।

*** ***** ***

12] Macdonell, A. A. (1988) : *A Sanskrit Grammar for Students;* Delhi : MBD.

13] Whitney, W. D (1985) : *Sanskrit Grammar;* Delhi : MBD, et al.



১৩.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ বচন কি — সংস্কৃত ভাষাত বচন কেইবিধ — কি কি — বচন নিৰ্ণয়ত বিভক্তিৰ ভূমিকা — ইত্যাদি সম্পৰ্কে চমু আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাৰ বচন — পালি-প্ৰাকৃত-অপভ্রংশ ভাষাৰ বচন — বচনৰ তুলনা সাদৃশ — বৈসাদৃশ্য আদি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাৰ লিংগ — লিংগৰ ভাগ — লিংগ প্ৰকাশত বিভক্তিৰ ভূমিকা — ব্যাকৰণগত লিংগৰ বৈশিষ্ট্য — ইত্যাদি সম্পৰ্কে আলোচনা কৰক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত লিংগৰ ভাগ — লিংগৰ স্বৰূপ — পালি-প্ৰাকৃত-অপভ্রংশ ভাষাৰ লিংগ — সংস্কৃত লিংগতকৈ পালি-প্ৰাকৃত-অপভ্রংশৰ লিংগৰ পৃথকতা — ইত্যাদি।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত লিংগ — পালি-প্ৰাকৃত-অপভ্রংশৰ লিংগ — তুলনা — সাদৃশ্য-বৈসাদৃশ্য আদি।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বচন শব্দৰ অৰ্থ কি? সংস্কৃত ভাষাত বচন কেইবিধ আৰু কি কি? সংস্কৃতত বচন অনুসৰি নাম শব্দৰ কেনেদৰে ৰূপ হয় আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সংস্কৃত ভাষাৰ আটাইকেইবিধ বচন পালি-প্ৰাকৃত-অপভ্রংশত ৰক্ষিত হৈছে নে নাই সেই কথা ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সংস্কৃত ভাষাৰ বচনৰ লগত পালি-প্ৰাকৃত-অপভ্রংশৰ বচনৰ এক তুলনামূলক আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ লিংগ মানে কি? সংস্কৃতত কি কি লিংগ পোৱা যায়। সংস্কৃত ভাষাৰ লিংগ প্ৰকৰণ সম্পৰ্কে এক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ পালি-প্ৰাকৃত-অপভ্রংশত লিংগ নিৰূপণৰ ক্ষেত্ৰত কি কি নতুন পদ্ধতি অৱলম্বন কৰা হয় সেই সম্পৰ্কে চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ পালি-প্ৰাকৃত-অপভ্রংশত সংস্কৃতৰ আটাইকেইটা লিংগ ৰক্ষিত হৈছেনে সেই সম্পৰ্কে

হ'বলৈ ল'লে।

- পালি-প্রাকৃত-অপভ্রংশ ভাষাত সংস্কৃত বচন আৰু লিংগৰ যথেষ্ট পৰিৱর্তন ঘটিছে। সংস্কৃতৰ ব্যাকৰণগত লিংগৰ বৈশিষ্ট্য নাইকিয়া হৈ লিংগ প্রকৰণত কিছুমান নতুন নিয়ম গঢ় লৈ উঠিছে। এই অধ্যায়টোত সংস্কৃত বচন আৰু লিংগৰ লগত পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ লিংগৰ এক তুলনামূলক আলোচনা দাঙি ধৰা হৈছে।
- অধ্যায়টোৰ জৰিয়তে সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচন আৰু লিংগৰ এক সাধাৰণ ধাৰণা দাঙি ধৰাৰ লগতে সেইবোৰৰ সাদৃশ্য বৈসাদৃশ্যও বিশ্লেষণ কৰা হৈছে।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] গোস্বামী, সত্যেন্দ্রনাথ (১৯৯২) ঃ *প্রাকৃত পাঠ মঞ্জুষা;* বনললতা, গুৱাহাটী।

2] গোস্বামী, সত্যেন্দ্রনাৰায়ণ (১৯৯৩) ঃ *প্রাকৃত সাহিত্য*; বীণা প্রকাশ প্রাইভেট লিমিটেড, গুৱাহাটী।

3] ঠাকুৰ, নগেন (১৯৯৩) ঃ *প্রাকৃত সাহিত্য চয়ন;* জ্যোতি প্রকাশন, গুৱাহাটী।

4] ঠাকুৰ, নগেন [2002] ঃ *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য*; কে. এম. পাবলিছিং, গুৱাহাটী।

5] ঠাকুৰ, নগেন [2016] ঃ *ভাৰতীয় ভাষা আৰু সাহিত্য;* জ্যোতি প্রকাশন, গুৱাহাটী।

6] ভট্টাচার্য, হৰিচন্দ্র [1998] ঃ *সংস্কৃত ব্যাকৰণ প্রভা;* বৰুৱা এজেন্সি, গুৱাহাটী।

7] শইকীয়া বৰা, লীলাৱতী [2002] ঃ *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* বনলতা, গুৱাহাটী।

বাংলা গ্রন্থ ঃ

8] বন্দোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); *সংস্কৃত সাহিত্যের ইতিহাস;* কলকাতা ঃ পশ্চিমবংগ রাজ্য পুস্তক পর্ষদ।

9] বিদ্যাসাগর, ঈশ্বরচন্দ্র [1996]Ê, *সমগ্র ব্যাকরণ-কৌমুদী;* কলকাতা ঃ দেৱ সাহিত্য কুটীর প্রাঃ লিঃ।

10] ভট্টাচার্য, দেবীদাস [1965]Ê, *মধ্য ভারতীয় আর্যভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টাল বুক কোম্পানী।

ইংৰাজী গ্রন্থ ঃ

11] Biswas, Sukumar (1970) : *A Comperative Old Indo-Aryan Grammar;* Delhi : MBD.

লিংগলৈ পৰিৱৰ্তন হোৱাটো এটা নিয়মত পৰিণত হ'ল। অর্থাৎ সংস্কৃতৰ পুংলিংগ শব্দ পালি-প্রাকৃতত ক্লীৱলিংগ আৰু সংস্কৃতৰ ক্লীৱলিংগ শব্দ পালি-প্রাকৃত-অপভ্রংশত পুংলিংগলৈ পৰিৱৰ্তন হোৱা দেখা যায়।

(iv) সংস্কৃত ভাষাত সকলো শব্দৰে তিনিটা লিংগৰূপ পোৱা যায়। কিন্তু পালি-প্রাকৃত-অপভ্রংশত কোনো কোনো শব্দৰ কেৱল দুটাহে ৰূপ (যেনে— পুংলিংগ-স্ত্রীলিংগ, পুংলিংগ-কীৱলিংগ, স্ত্রীলংগ-ক্লীৱলিংগ ইত্যাদি) পোৱা যায়।

(v) পালি ভাষাত পুংলিংগবাচক শব্দত বিভিন্ন স্ত্রীপ্রত্যয় সংযোগ কৰি স্ত্রীলিংগৰ ৰূপ কৰাৰ যি প্রক্রিয়া সেই প্রক্রিয়া সংস্কৃত ভাষাত দেখা নাযায়।

(vi) সংস্কৃত ভাষাত লিংগভিত্তিক শব্দৰূপৰ যি বৈচিত্র্য আছিল পালি-প্রাকৃত অপভ্রংশত সেই বৈচিত্র্য নাইকিয়া হ'ল।

গতিকে সংস্কৃতৰ লগত পালি-প্রাকৃত-অপভ্রংশৰ লিংগৰ তুলনা কৰিলে সাদৃশ্যতকৈ বৈসাদৃশ্যহে অধিক দেখা পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সংস্কৃত লিংগৰ লগত পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ লিংগৰ এক তুলনা দাঙি ধৰক। (150টা শব্দৰ ভিতৰত)

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত ভাষাত বচন আৰু লিংগই এক বিশেষ ভূমিকা গ্রহণ কৰিছে। বচন আৰু লিংগ প্রকাশৰ ক্ষেত্রত শব্দবিভক্তি বা সুপ্ বিভক্তিবোৰে প্রধান ভূমিকা গ্রহণ কৰে। এই অধ্যায়টোত সংস্কৃত ভাষাৰ বচন আৰু লিংগৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব।
- সংস্কৃত ভাষাৰ বচন আৰু লিংগই পালি-পাকৃত-অপভ্রংশ স্তৰত যথেষ্ট পৰিৱৰ্তনৰ সন্মুখীন হৈছে। অর্থাৎ সংস্কৃতৰ ব্যাকৰণগত বচন আৰু লিংগ পদ্ধতিয়ে পালি-প্রাকৃত-অপভ্রংশ স্তৰত যথেষ্ট সৰল ৰূপ লাভ কৰিছে। এই সম্পর্কেও অৱগত হ'বলৈ সুবিধা পাব।
- সংস্কৃত ভাষাত বচন তিনিবিধ আছিল। এই তিনিবিধ বচনত আৰু তিনিবিধ লিংগ অনুসৰি ৰূপ হোৱা সংস্কৃত শব্দ ৰূপৰ যি জটিলতা সেই সম্পর্কে জানিব পাৰিব। সংস্কৃত ভাষাৰ লিংগভেদে হোৱা ভিন্ ভিন্ শব্দৰূপৰ যি জটিলতা সেই জটিলতা পালি-প্রাকৃত-অপভ্রংশত নাইকিয়া হ'ল আৰু প্রায় সকলো শব্দ পুংলিংগৰ দৰে ৰূপ

অপভ্রংশত সংস্কৃতৰ আটাইকেইটা লিংগ ৰক্ষিত যদিও নতুন নিয়মেৰে লিংগ নির্ণয় কৰাৰ কিছুমান পদ্ধতিয়ে দেখা দিলে। যিয়ে সংস্কৃত লিংগৰ পৰা পালি-প্রাকৃত-অপভ্রংশৰ লিংগক এক পৃথক ৰূপ প্রদান কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ লিংগ প্রকৰণ সংস্কৃত ভাষাতকৈ কিমান পৃথক সেই সম্পর্কে এটি নাতিদীর্ঘ আলোচনা যুগুত কৰক। (150টা শব্দৰ ভিতৰত)

.....

১৩.৪.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ লিংগৰ তুলনা

সংস্কৃত ভাষাৰ লিংগ প্রকৰণ এক জটিল বিষয়। কাৰণ কোন শব্দ কি লিংগৰ হ'ব বা কোনবোৰ শব্দ পুংলিংগ, কোনবোৰ স্ত্রীলিংগ আৰু কোনবোৰ ক্লীৱলিংগ তাৰ স্পষ্ট নির্দেশ ব্যাকৰণত দিয়া আছে। সেয়ে সংস্কৃত ভাষাৰ লিংগ নির্ণয় এক অতি জটিল কাম। তদুপৰি সংস্কৃতৰ সুপ্ বিভক্তিবোৰে লিংগ নির্ণয়ত এক বিশেষ ভূমিকা গ্রহণ কৰিছে। সেয়ে সংস্কৃত ভাষাত লিংগ বৈচিত্র্যপূর্ণ। কিন্তু সংস্কৃত ভাষাৰ লিংগ প্রকৰণ পালি-প্রাকৃত-অপভ্রংশ স্তৰত কিছু সৰল হোৱা দেখা যায়। সংস্কৃত ভাষাৰ লিংগৰ লগত পালি-প্রাকৃত-অপভ্রংশৰ লিংগৰ তুলনা কৰিলে কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য দেখা পোৱা যায়। সেইবোৰ এনে ধৰণৰ—

সাদৃশ্য ঃ

(i) সংস্কৃতৰ দৰে পালি-প্রাকৃত-অপভ্রংশ আটাইকেইটা ভাষাতে পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ— এই তিনিওটা লিংগৰ প্রয়োগ পোৱা যায়।

(ii) সংস্কৃতৰ দৰে পালি-প্রাকৃত-অপভ্রংশৰ কেতবোৰ শব্দত বিশেষ্যৰ যি লিংগ বিশেষণৰো সেই লিংগ হোৱা দেখা যায়।

(iii) সংস্কৃত ভাষাৰ নিচিনাকৈ পালি-প্রাকৃত-ভাষাৰ কিছুমান শব্দৰ তিনিওটা লিংগতে ৰূপ পোৱা যায়।

বৈসাদৃশ্য ঃ

(i) সংস্কৃত ভাষাৰ লিংগ সম্পূর্ণৰূপে ব্যাকৰণগত। কিন্তু পালি-প্রাকৃত-অপভ্রংশ ভাষাত লিংগ ব্যাকৰণগত নহয়। পালি-প্রাকৃত-অপভ্রংশত লিংগ অর্থগত।

(ii) পালি-প্রাকৃতত পুংলিংগবাচক শব্দত স্ত্রীপ্রত্যয় যোগ দি স্ত্রীলিংগ আৰু অনুস্বাৰ যোগ দি ক্লীৱলিংগ গঠন কৰাৰ যি পদ্ধতিয়ে দেখা দিলে সংস্কৃত ভাষাত তাক দেখিবলৈ পোৱা নাযায়।

(iii) সংস্কৃত ভাষাৰ কিছুমান শব্দৰ লিংগ পালি-প্রাকৃত-অপভ্রংশ স্তৰত আন

ক্লীৱলিংগ। আকৌ 'বৃক্ষ' শব্দ সংস্কৃতত ক্লীৱলিংগ কিন্তু প্রাকৃতত ই 'ৰুছা' বা 'ৰুক্ষ' হৈ পুংলিংগলৈ পৰিৱর্তিত হ'ল।

সংস্কৃত ভাষাত তিনিওটা লিংগৰ ৰূপ সুকীয়া সুকীয়া হোৱা দেখা যায়। কিন্তু পালি-প্রাকৃত-অপভ্রংশত পুংলিংগ আৰু ক্লীৱলিংগ শব্দৰ ৰূপ কর্তা আৰু কর্ম কাৰকৰ বাহিৰে সকলোতে একে হ'ল। গতিকে সংস্কৃতৰ লিংগভিত্তিক শব্দৰূপৰ বৈচিত্র্য পালি-প্রাকৃত-অপভ্রংশত সৰলীকৃত হৈ মুখ্যতঃ পুংলিংগ আৰু স্ত্রীলিংগ এই দুই প্রকাৰৰ লিংগত পৰিণত হ'ল।

পালি-প্রাকৃতত পুৰুষ, স্ত্রী আৰু অচেতন বস্তু বুজাবলৈ পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগৰ ব্যৱহাৰ আছে যদিও পালি-প্রাকৃতত লিংগ নির্ণয়ৰ কেতবোৰ নতুন নিয়মে দেখা দিলে। পালি-প্রাকৃত স্তৰত পুংলিংগবাচক শব্দত বিভিন্ন স্ত্রী প্রত্যয় যোগ কৰি স্ত্রীলিংগৰ ৰূপ কৰা ৰীতি বেলেগ শব্দ প্রয়োগ কৰি লিংগ নির্ণয় কৰা হয়। প্রাকৃত স্তৰতো লিংগ প্রকৰণ সংস্কৃত নিয়মানুগ নহয়। সংস্কৃত ভাষাৰ স্ত্রীলিংগ নির্দেশক শব্দ প্রাকৃতত পুংলিংগ ৰূপত পোৱা যায় আৰু ক্লীৱলিংগ নির্দেশক শব্দ পুংলিংগ হিচাপে পোৱা যায়। নিদর্শন স্বৰূপে—

সংস্কৃত	প্রাকৃত
শৰৎ (স্ত্রীলিংগ)	সৰত্ত (পুংলিংগ)
বিষম (ক্লীৱলিংগ)	বিসো (পুংলিংগ)

সেইদৰে সংস্কৃতৰ পুংলিংগ নিদের্শক শব্দ প্রাকৃতত পুংলিংগ আৰু স্ত্রীলিংগ দুয়োটা হ'ব পাৰে। নিদর্শন স্বৰূপে—

সংস্কৃত	প্রাকৃত
গৰিমা	গৰিমো (পুং), গৰিমা (স্ত্রী)
মহিমা	মহিমো (পুং), মহিমা (স্ত্রী)

তদুপৰি সংস্কৃত ভাষাৰ ক্লীৱলিংগবাচক শব্দও প্রাকৃতত ক্লীৱলিংগ হোৱাৰ উপৰিও পুংলিংগ আৰু স্ত্রীলিংগ দুয়োটাই হ'ব পাৰে। গতিকে এটা লিংগৰ ঠাইত অন্য এটা লিংগ হোৱাটো প্রাকৃত ভাষাৰ লিংগ প্রকৰণৰ এক অন্যতম বৈশিষ্ট্য বুলিব পাৰি।

পালি-প্রাকৃত ভাষাত কেতবোৰ শব্দত বিশেষ্যৰ যি লিংগ আৰু বচন বিশেষণতো সেই লিংগ আৰু বচন হোৱা দেখা যায়। পালি-প্রাকৃত ভাষাত সংখ্যাবাচক শব্দবোৰৰ দুই-এটাৰ বাহিৰে বেছিভাগ শব্দতে সাধাৰণতে পুংলিংগ আৰু স্ত্রীলিংগ— এই দুটা ভেদহে দেখা যায়। কোনো কোনো সংখ্যাবাচক শব্দৰ আকৌ তিনিওটা লিংগতে পৃথক ৰূপ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে— সংস্কৃত ত্রি শব্দটোৰ পালি-প্রাকৃতত তিনিওটা লিংগতে ৰূপ হয়। 'তি' শব্দৰ প্রথমাত তিনিওটা লিংগৰ ৰূপ এনে ধৰণৰ—

এইদৰে সংস্কৃত ভাষাৰ ব্যাকৰণগত লিংগৰ যি বৈশিষ্ট্য সেই বৈশিষ্ট্য পালি-প্রাকৃত-অপভ্রংশ ভাষাত নাইকিয়া হোৱা দেখা যায়। উল্লেখযোগ্য যে পালি-প্রাকৃত-

শব্দৰ শেষত যোগ হোৱা প্রত্যয় অনুসাৰে ঘঞ্ (নাশ, পাঠ আদি), অল্ (ভৱ, গ্রহ, দ্রোহ আদি), ণঙ্ (যত্ন, প্রশ্ন, যজ্ঞ আদি) আৰু ইমন্ (মহিমা, নীলিমা আদি) প্রত্যয়ান্ত শব্দবোৰ পুংলিংগ। আকৌ সংস্কৃত স্ত্রীপ্রত্যয় আপ, ঙষি, ঙীপ যুক্ত শব্দবোৰ (যেনে— অজা, অশ্বা, কর্ত্রী, ৰাজ্ঞী আদি) সদায়ে স্ত্রীলিংগসূচক। সেয়ে হ'লেও ক্তিন প্রত্যয়ান্ত শব্দ-মুক্তি, প্রীতি, গতি আদি; ভাববাচ্যৰ ক্বিপ্ প্রত্যয়ান্ত শব্দ— আপত্, বিপত আদি; তল প্রত্যয়ান্ত শব্দ— শুক্লতা, পটুতা, নম্রতা আদিও স্ত্রীলিংগৰ ভিতৰুৱা শব্দ। একেদৰে ভাববাচ্যৰ ক্ত প্রত্যয়ান্ত শব্দবোৰ (হসিতম্, পতম্ আদি); তব্য, অণীয়, ন্যৎ প্রত্যয়ান্ত শব্দবোৰ (গন্তৱ্যম, গময়ীয়ম, নেয়ম, দেয়ম আদি) ক্লীৱলিংগৰ ভিতৰত ধৰা হয়।

সংস্কৃত শব্দৰূপত লিংগৰ ভূমিকা অতিশয় গুৰুত্বপূর্ণ। কাৰণ, লিংগ অনুসাৰে শব্দৰ ৰূপবোৰ ভিন্ ভিন্ হয়। উদাহৰণ স্বৰূপে— অ-কাৰান্ত পুংলিংগবাচক 'নৰ' শব্দৰ লগত প্রথমা বিভক্তি যোগ হ'লে এনে ধৰণৰ ৰূপ হয়, যেনে— নৰঃ — নৰৌ — নৰাঃ। আনহাতে অ-কাৰান্ত ক্লীৱলিংগসূচক 'মিত্র' শব্দৰ ৰূপ কিন্তু ভিন্ন প্রকৃতিৰ হয়। যেনে— মিত্রম্ — মিত্রে — মিত্রাণি। আকৌ অ-কাৰান্ত স্ত্রীলিংগ 'লতা' শব্দৰ ৰূপ হয় এনেদৰে— লতা — লতে — লতাঃ। গতিকে দেখা যায় সংস্কৃতত লিংগ অনুসাৰে বিভক্তিয়ে সুকীয়া ৰূপ পৰিগ্রহ কৰে। আনকি একে লিংগৰ অন্তর্গত শব্দবোৰেও ৰূপ হওঁতে আকাৰ অনুযায়ী ভিন্ন ৰূপ লয়। এনে কাৰণতে সংস্কৃতৰ শব্দৰূপ জটিল আৰু বৈচিত্র্যময় হৈ দেখা দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ সংস্কৃতৰ লিংগ পদ্ধতিৰ সকলো দিশ ফঁহিয়াই এটি চমু আলোচনা যুগুত কৰক। (150টা শব্দৰ ভিতৰত)

.....

১৩.৪.২ পালি-প্রাকৃত-অপভ্রংশৰ লিংগ

পালি-প্রাকৃত-অপভ্রংশ স্তৰত সংস্কৃতৰ তিনিওটা লিংগ ৰক্ষিত হয় যদিও সংস্কৃতৰ ব্যাকৰণগত লিংগৰ বৈশিষ্ট্য পালি-প্রাকৃতত লোপ পালে। সংস্কৃতত অর্থানুযায়ী, শব্দৰ গঠন বা আকৃতি অনুযায়ী আৰু প্রত্যয় সংযোগ অনুযায়ী লিংগ নির্ণয়ৰ যি নিয়ম আছিল সেই নিয়ম পালি-প্রাকৃত-অপভ্রংশত যি নিয়ম আছিল সেই নিয়ম পালি-প্রাকৃত-অপভ্রংশত বহুলাংশে ৰক্ষিত হ'ল যদিও সেইবোৰৰ ভালেমান পৰিৱর্তন ঘটিল। তাৰ ঠাইত লিংগ নির্ণয়ৰ কিছুমান নতুন নিয়মে দেখা দিলে। পুংলিংগবাচক শব্দত ক্লীৱলিংগবাচক শব্দ গঠন কৰাৰ নিয়ম প্রচলিত হ'ল। পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ পুংলিংগ হ'ল। উদাহৰণ স্বৰূপে— 'অগ্নি' শব্দ সংস্কৃতত পুংলিংগ কিন্তু প্রাকৃতত

কেতিয়াবা শব্দৰ আকৃতি বা গঠন অনুযায়ী লিংগ নির্ণয় কৰা হয়।

সংস্কৃত ভাষাত লিংগ নির্ণয়ৰ প্রক্রিয়া অতিশয় জটিল। কাৰণ একেটা শব্দবিভক্তিয়ে লিংগ অনুসাৰে ভিন্ ভিন্ নামশব্দকে ভিন্ ভিন্ ৰূপ প্রদান কৰে। সংস্কৃতত এটা নাম শব্দৰ প্রতিশব্দবোৰৰ বা সমানার্থক শব্দবোৰবোৰো ভিন্ ভিন্ লিংগ হ'ব পাৰে। উদাহৰণ স্বৰূপে— সংস্কৃতত 'মাতৃ' শব্দ পুংলিংগ। কিন্তু একেই স্ত্রীবাচক 'ধাতৃ' শব্দ ক্লীৱলিংগ। সংস্কৃতত 'ভার্যা', 'দাৰ' আৰু 'কলত্র' শব্দই তিৰোতাক বুজায়। কিন্তু লিংগৰ ফালৰপৰা অকল 'ভার্যা' শব্দহে স্ত্রীলিংগ। বাকী 'দাৰ' আৰু 'কলত্র' শব্দই যথাক্রমে পুংলিংগ আৰু ক্লীৱলিংগহে প্রকাশ কৰে। সেইদৰে সংস্কৃতত শৰীৰ বুজোৱা 'কায়' শব্দ পুংলিংগ; লাহী, কোমল 'তনু' শব্দ স্ত্রীলিংগ আৰু 'শৰীৰ' শব্দ ক্লীৱলিংগৰ ক্ষেত্রত প্রয়োগ হয়। গতিকে এনে অর্থ বুজাবলৈ তিনিটা লিংগৰ কাৰণে তিনিটা শব্দ সংস্কৃতত ব্যৱহাৰ কৰা হয়।

সংস্কৃত ভাষাত একোটা অর্থ বুজাবলৈ অর্থ, আকৃতি আৰু প্রত্যয় সংযোগ অনুযায়ী তিনিটা পৃথক শব্দ ব্যৱহাৰ কৰাৰ ৰীতি সংস্কৃত লিংগৰ এক অন্যতম বিশেষ বৈশিষ্ট্য। গতিকে সংস্কৃত লিংগ অর্থভিত্তিক নহয়, ব্যাকৰণভিত্তিকহে। ব্যাকৰণৰ নিয়মৰ আধাৰত প্রয়োগ বৈশিষ্ট্যৰ জৰিয়তেহে সংস্কৃতত লিংগ নিৰূপণ কৰা হয়। এনে কাৰণতে সংস্কৃতৰ লিংগ নির্ণয়ৰ প্রক্রিয়াক ব্যাকৰণগত (grammatical) আখ্যা দিয়া হয়।

সংস্কৃত ব্যাকৰণত পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ শব্দ সম্বন্ধে বিশেষ নীতি-নির্দেশনা দিয়া আছে। এনে নির্দেশনাৰ মূল আধাৰ হৈছে তিনিটা— শব্দৰ অর্থ, শব্দৰ গঠন বা আকৃতি আৰু শব্দটোত যোগ হোৱা প্রত্যয়। অর্থ অনুযায়ী দেৱতা বুজোৱা (সুৰ, ব্রহ্মা, বিষ্ণু, ৰুদ্র আদি), অসুৰ বুজোৱা (দৈত্য, দানৰ আদি), চন্দ্র বুজোৱা (চন্দ্র, ইন্দ্র, সোম আদি), সূর্য বুজোৱা (সূর্য, ৰবি, ভাস্কৰ আদি), মেঘ বুজোৱা (মেঘ, জলধৰ আদি), পর্বত বুজোৱা (গিৰি, শৈল আদি) শব্দবোৰক পুংলিংগ বুলি ধৰা হয়। তেনেদৰে ভূবাচক (ভূ, ক্ষিতি, ধৰিত্রী আদি), নদীবাচক (নদী, সৰিৎ, তটিনী আদি), নিশাবাচক (নিশা, ৰাত্রি, যামিনী আদি), লতাবাচক (লতা, বল্লী আদি) শব্দক স্ত্রীলিংগৰ ভিতৰত ধৰা হয়। আকৌ সুখ, নয়ন, লৌহ, মাংস, বস্ত্র, ৰুধিৰ, কাষ্ঠ, বন্ধু অর্থত মিত্র, অন্নবাচক, নক্ষত্রবাচক শব্দবোৰ অর্থৰ ফালৰ পৰা ক্লীৱলিংগ।

গঠন বা আকৃতি অনুযায়ী শব্দৰ শেষত ক, ষ, ণ, ভ, ম, ৰ থকা শব্দবোৰ (যেনে— কাক, তুষ পাষাণ, কুম্ভ, সোম, হৰ আদি) পুংলিংগবাচক। আনহাতে আ-কাৰান্ত, উ-কাৰান্ত, ঈ-কাৰান্ত শব্দবোৰ সাধাৰণতে স্ত্রীলিংগবাচক। তদুপৰি ৱিংশতিৰ পৰা নৱতি পর্যন্ত সংখ্যাবাচক শব্দবোৰ আৰু প্রতিপদ, দ্বিতীয়া আদি তিথিবাচক শব্দবোৰো স্ত্রীলিংগবাচক। সাধাৰণতে শত, সহস্র, অযুত, লক্ষ, নিযুত আদি শব্দ ক্লীৰ লিংগবাচক। আকৌ অস, ইস্ আৰু অন্ ভাগান্ত শব্দবোৰ ক্লীৱলিংগ। তেনেদৰে অন্ত্য ম-কাৰযুক্ত শব্দবোৰ (যেনে— কাৰণম্, তৃণম্, শৰীৰম্, শৰণম্ আদি) ক্লীৱলিংগসূচক।

প্রাকৃত-অপভ্রংশ স্তৰত যথেষ্ট পৰিৱর্তন হ'ল।

(iii) সংস্কৃতৰ প্রথমাৰ একবচনৰ -স বা বিসর্গ > ও; দ্বিতীয়াৰ একবচনৰ -ম > ং, ষষ্ঠীৰ একবচনৰ -স্য > স্স; বহুবচনৰ -নাম > নং হোৱা দেখা যায়। পালি-প্রাকৃততকৈ অপভ্রংশ স্তৰত বিভক্তিসমূহৰ আৰু অধিক পৰিৱর্তন হ'ল।

(iv) সংস্কৃত ভাষাত বিকল্প বিভক্তি বা অনুসর্গৰ প্রয়োগ পোৱা নাযায়। কিন্তু পালি-প্রাকৃত-অপভ্রংশত বিকল্প বিভক্তিৰ প্রয়োগ দেখা যায়। অপভ্রংশ স্তৰত অনুপদ ব্যৱহাৰ কৰিও কাৰক বিভক্তিৰ অর্থ প্রকাশ কৰা পৰিলক্ষিত হয়।

এইদৰে সংস্কৃত ভাষাৰ লগত পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচনৰ লগত পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচনৰ তুলনা কৰিলে সাদৃশ্যতকৈ বৈসাদৃশ্যই অধিক হোৱা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সংস্কৃত ভাষাৰ বচন সম্পর্কে এটি টোকা যুগুত কৰক। (150টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ঃ সংস্কৃত বচনৰ পালি-প্রাকৃত-অপভ্রংশত কেনে পৰিৱর্তন ঘটিছে সেই সম্পর্কে উল্লেখ কৰি সংস্কৃত বচনৰ লগত এক তুলনা দাঙি ধৰক।

(150টা শব্দৰ ভিতৰত)

.....

১৩.৪ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ লিংগ

সংস্কৃত ভাষাত লিংগই এক বিশেষ ভূমিকা গ্রহণ কৰিছে। সংস্কৃতত বচন, লিংগ, কাৰক অনুযায়ী শব্দবিভক্তিবোৰ ৰূপ হয়। সংস্কৃতৰ পৰৱর্তী স্তৰ পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ লিংগ ৰক্ষিত হৈছে যদিও সংস্কৃতৰ ব্যাকৰণগত লিংগৰ বৈশিষ্ট্য লোপ পালে। সংস্কৃত ভাষাৰ লিংগই পালি-প্রাকৃত-অপভ্রংশত কেনে পৰিৱর্তন লাভ কৰিছিল তাক তলত আলোচনা কৰা হ'ল—

১৩.৪.১ সংস্কৃতৰ লিংগ

সংস্কৃত ভাষাত তিনিবিধ লিংগ পোৱা যায়। সেই তিনিবিধ হ'ল— (i) পুংলিংগ (ii) স্ত্রীলিংগ আৰু (iii) ক্লীৰ লিংগ। অসমীয়া, ইংৰাজী আদি কিছুমান ভাষাৰ দৰে সংস্কৃত ভাষাত অর্থলৈ লক্ষ্য কৰি, অর্থাৎ শব্দটোৰে পুৰুষ স্ত্রী নে জড় পদার্থ বুজাইছে তালৈ চাই লিংগ নিৰূপণ কৰা নহয়। তাৰ সলনি ভাষাটোত কেতিয়াবা অর্থৰ ভিত্তিত,

১৩.৩.২ পালি-প্রাকৃত-অপভ্রংশৰ বচন

সংস্কৃত ভাষাতকৈ পালি-প্রাকৃত-অপভ্রংশ স্তৰত বচনৰ স্বৰূপ সুকীয়া ধৰণৰ। অর্থাৎ পালি-প্রাকৃত স্তৰত সংস্কৃত বচনৰ যথেষ্ট পৰিৱর্তন ঘটিল। সংস্কৃত ভাষাত তিনিটা বচনৰ ঠাইত পালি-প্রাকৃত-অপভ্রংশ ভাষাত বচনৰ সংখ্যা হ'ল দুটা। অর্থাৎ সংস্কৃতৰ দ্বিবচন পালি-প্রাকৃত স্তৰতে লোপ পালে। সংস্কৃতৰ দ্বিবচনৰ স্থান দখল কৰিলে বহুবচনে। সংস্কৃত ভাষাৰ দ্বিবচনাত্মক ৰূপবোৰ পালি-প্রাকৃত-অপভ্রংশ ভাষাত বহুবচনৰ দৰে ৰূপ হ'বলৈ ধৰিলে। মাত্র বহুবচনত ৰূপ হোৱা দুটা বুজোৱা শব্দৰ আগত সংস্কৃত 'দ্বি'ৰ পৰা গঢ় লৈ উঠা দ্বে, দুৱে, ৰে (সংস্কৃত-দ্বে), বেনি, দো (সংস্কৃত-দ্বৌ) আদি শব্দ ব্যৱহাৰ হ'ল। উদাহৰণ স্বৰূপে— দো মোৰা।

সংস্কৃত ভাষাৰ দৰে পালি-প্রাকৃত-অপভ্রংশ স্তৰত একবচন আৰু বহুবচন অনুসৰি বিভক্তি সংযোগ হয়। অৱশ্যে এই বিভক্তিসমূহে পালি-প্রাকৃত-অপভ্রংশ স্তৰত কিছু সুকীয়া ৰূপ লাভ কৰিছে। কিন্তু অপভ্রংশ স্তৰত বিভক্তিহীনতা বা শূন্য বিভক্তিৰ প্রয়োগ এটা অন্যতম বিশেষত্ব। অর্থাৎ অপভ্রংশ স্তৰত প্রথমা-দ্বিতীয়াৰ একবচন আৰু বহুবচনত বিভক্তিহীনতা এক অন্যতম বৈশিষ্ট্যৰূপে দেখা দিয়ে। অপভ্রংশত কেতিয়াবাহে '-উ'ৰ ব্যৱহাৰ হৈছিল। এইদৰে সংস্কৃত ভাষাৰ বচনে পালি-প্রাকৃত-অপভ্রংশ স্তৰত কিছু সুকীয়া ৰূপ পৰিগ্রহণ কৰা দেখা যায়।

১৩.৩.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ বচনৰ তুলনা

সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ এই আটাইকেইটা ভাষাতে বচনৰ প্রয়োগ আছে যদিও সংস্কৃত বচনৰ তুলনাত পালি-প্রাকৃত-অপভ্রংশ ভাষাত বচনৰ স্বৰূপ কিছু সুকীয়া। সংস্কৃত ভাষাৰ লগত পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচনৰ তুলনা কৰিলে এই আটাইকেইটা ভাষাৰ মাজত কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য দেখিবলৈ পোৱা যায়। সেইবোৰ এনে ধৰণৰ—

সাদৃশ্য ঃ

(i) সংস্কৃত পালি-প্রাকৃত-অপভ্রংশ এই আটাইকেইটা ভাষাতে বচনৰ প্রয়োগ আছে আৰু বচনৰ অর্থ প্রকাশ কৰাৰ ক্ষেত্রত সুপ্ বিভক্তিয়ে এক প্রধান ভূমিকা গ্রহণ কৰে।

বৈসাদৃশ্য ঃ

(i) সংস্কৃত ভাষাত বচন তিনি প্রকাৰৰ আছিল— একবচন, দ্বিবচন আৰু বহুবচন। কিন্তু পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ দ্বিবচন লোপ পাই একবচন আৰু বহুবচন— এই দুটা বচনহে ৰক্ষিত হ'ল।

(ii) বচন আৰু কাৰকৰ অর্থ প্রকাশ কৰা সংস্কৃত সুপ্ বিভক্তি সমূহবোৰ পালি-

সংস্কৃত ভাষাত সাতোটা কাৰক আৰু তিনিটা বচন আছে। গতিকে সাতোটা কাৰক তিনিটাকৈ বচনত সুপ্ বিভক্তিৰ সংখ্যা হ'ল একৈশটা। এই বিভক্তিবোৰে এফালে কাৰকৰ ভাব প্ৰকাশ কৰে আনফালে বচন বা সংখ্যাৰ ধাৰণা দিয়ে। তলত কাৰক অনুযায়ী তিনিটা বচনত কি কি বিভক্তি যোগ হয় তলৰ তালিকাখনে আপোনাক সেই কথা বুজাত সহায় কৰিব—

কাৰক	বিভক্তিৰ সংখ্যাগত নাম	বচন		
		এক বচন	দ্বিবচন	বহু বচন
কৰ্তা	প্ৰথমা	সু	ঔ	জস্
কৰ্ম	দ্বিতীয়া	অম্	ঔ	শস্
কৰণ	তৃতীয়া	টা	ভ্যাম্	ভিস্
সম্প্ৰদান	চতুৰ্থী	ঙে	ভ্যাম্	ভ্যস্
অপাদান	পঞ্চমী	ঙসি	ভ্যাম্	ভ্যস্
সম্বন্ধ	ষষ্ঠী	ঙস্	ওস্	আম্
অধিকৰণ	সপ্তমী	ঙি	ওস্	সুপ্

কোনো কোনো ব্যাকৰণবিদে সম্বোধন পদৰ বিভক্তিক ভিন্নৰূপে ধৰি বিভক্তিৰ সংখ্যা আঠোটা কৰিব বিচাৰে। কিন্তু সম্বোধনত যিহেতু প্ৰথমা বিভক্তি বিশেষৰূপে প্ৰয়োগ হয়, সেইবাবে তাক সুকীয়াৰূপে গণ্য কৰা নহয়। মন কৰিবলগীয়া যে প্ৰয়োগৰ সময়ত বিভক্তিসমূহত থকা উ, জ, শ, ট, ঙ আৰু প্ সদায়ে লোপ পায় আৰু 'স' বিসৰ্গলৈ ৰূপান্তৰিত হয়। তলৰ উদাহৰণটোৰ পৰা সংস্কৃত অ-কাৰান্ত 'নৰ' শব্দৰ প্ৰথমা বিভক্তিত তিনিওটা বচনত কেনেদৰে ৰূপ হয় সেই কথা অনুধাৱন কৰিব পাৰিব—

	একবচন	দ্বিবচন	বহুবচন
প্ৰথমা	নৰÙÂসুÔনৰস্>নৰঃ	নৰÙÂঔ Ôনৰৌ	নৰ ÙÂ জস্>নৰ ÙÂঅস্ Ô নৰাস>নৰাঃ

সংস্কৃত ব্যাকৰণ অনুসাৰে সুপ-তিঙাদি বিভক্তিৰ দ্বাৰা পদ সংখ্যা নিৰূপিত হয় অৰ্থাৎ বচন নিৰ্ণিত হয়। উল্লেখযোগ্য যে সংস্কৃত ভাষাত বিভক্তিসমূহতে বচনৰ অৰ্থ সোমাই থাকে। অৰ্থাৎ বচন অনুসাৰে যি যি বিভক্তি প্ৰয়োগ কৰা হয় সেই সেই বিভক্তিৰ দ্বাৰাই সংখ্যা নিৰূপিত হয়। উদাহৰণ স্বৰূপে— কোনো প্ৰাতিপদিকৰ পিছত প্ৰথমাৰ এক বচনৰ সু, দ্বিবচনৰ ঔ আৰু বহুবচনৰ জস্ লগ লগালে যথাক্ৰমে এক, দুই আৰু বহুতৰ ধাৰণা পোৱা যায়। যেনে— নৰ শব্দৰ নৰ ÙÂ সু Ô নৰঃ অৰ্থাৎ এজন মানুহ, নৰ ÙÂ ঔ Ô নৰৌ মানে দুজন মানুহ আৰু নৰ ÙÂ জস্ Ô নৰাঃ মানে দুজনতকৈ অধিক বা বহুত মানুহক বুজাইছে।

গতিকে সংস্কৃত ভাষাত বচন তিনিটা আৰু এই তিনিটা বচনৰ ধাৰণা বিভক্তি সংযোগৰ জৰিয়তে পাব পাৰি।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ তৃতীয় ষাণ্মাসিকৰ বাবে আগবঢ়োৱা দ্বিতীয় ঐচ্ছিক পাঠ্যবিষয় 'পালি-প্রাকৃত-অপভ্রংশ ভাষাপাঠ আৰু তুলনামূলক ব্যাকৰণ'ৰ অন্তর্গত এইটো হ'ল ত্রয়োদশ অধ্যায়। এই অধ্যায়টোৰ নামকৰণ কৰা হৈছে 'সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ বচন আৰু লিংগ' নামেৰে। সংস্কৃত ব্যাকৰণত বচন আৰু লিংগই এক বিশেষ ভূমিকা গ্রহণ কৰে। অর্থাৎ নামশব্দৰ ৰূপ কৰোঁতে বা নামশব্দত শব্দবিভক্তি প্রয়োগ কৰোঁতে সংস্কৃত ভাষাত বচন আৰু লিংগই এক বিশেষ ভূমিকা গ্রহণ কৰি অহা দেখা যায়। সংস্কৃতত বচন, লিংগ, কাৰক অনুসৰি নামশব্দত বিভক্তি যোগ হয়। সেয়ে সংস্কৃত ভাষাত নাম শব্দৰ ৰূপ বৰ জটিল আৰু বৈচিত্র্যপূর্ণ। সংস্কৃতৰ বচন আৰু লিংগ অনুযায়ী গঠন হোৱা শব্দৰূপৰ জটিলতা পালি প্রাকৃত-অপভ্রংশ স্তৰত ভালেখিনি হ্রাস পায়। গতিকে এই অধ্যায়টোত সংস্কৃতৰ বচন আৰু লিংগৰ বিষয়ে আলোচনা কৰাৰ লগতে পালি-প্রাকৃত-অপভ্রংশ স্তৰত সংস্কৃতৰ লিংগ আৰু বচনে কেনে পৰিৱর্তন লাভ কৰিছে সেই সম্পর্কে এটা আলোচনা আগবঢ়োৱা হৈছে। তদুপৰি সংস্কৃত ভাষাৰ বচন আৰু লিংগৰ লগত আনকেইটা ভাষাৰ বচন আৰু লিংগৰ এক তুলনামূলক আলোচনাও দাঙি ধৰা হৈছে। গতিকে এই অধ্যায়টোৰ জৰিয়তে ভাষা শাখাৰ শিক্ষার্থীয়ে সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচন আৰু লিংগ সম্পর্কে এক সাধাৰণ ধাৰণা লাভ কৰিব পাৰিব বুলি ক'ব পাৰি।

১৩.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচন

ব্যাকৰণত বচন শব্দই পদৰ সংখ্যা নিদের্শ কৰে। সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ আটাইকেইটা ভাষাতে বচনৰ প্রয়োগ আছে যদিও সংস্কৃততকৈ পালি-প্রাকৃত-অপভ্রংশত বচনৰ ৰূপ সুকীয়া। সংস্কৃত ভাষাত বচন ব্যাকৰণগত। অর্থাৎ সংস্কৃতত বচনে বাক্য গাঁথনিত যথেষ্ট প্রভাৱ পেলায়। তলত আটাইকেইটা ভাষাৰ বচনৰ স্বৰূপ দিয়া হ'ল—

১৩.৩.১ সংস্কৃতৰ শব্দৰূপ

সংস্কৃত ভাষাত বচন তিনিবিধ— (i) একবচন (ii) দ্বিবচন আৰু (iii) বহুবচন। একবচনে এটাক বুজায়, দ্বিবচনে দুটাক বুজায় আৰু বহুবচনে দুটাতকৈ অধিক সংখ্যা প্রকাশ কৰে। সংস্কৃত ভাষাত বিভক্তিৰ জৰিয়তে এই বচন নির্ণিত হয়। অর্থাৎ সংস্কৃতত নামবিভক্তি বা কাৰক বিভক্তিৰ দ্বাৰা কাৰক আৰু বচন নির্ণয় কৰিব পাৰি। এই কাৰক বিভক্তি বা শব্দবিভক্তিবোৰক সংস্কৃত ভাষাত সুপ্ বিভক্তি বোলা হয়। বিভক্তিসমূহৰ প্রথমটোৰ আদি বর্ণ সু আৰু শেষৰটোৰ অন্তিম বর্ণ প্ হোৱা বাবে এইবোৰক সুপ্ বিভক্তি বোলা হয়। সংস্কৃতৰ এই সুপ্ বিভক্তিবোৰে কাৰক আৰু বচন নির্ণয় কৰে। ইয়াৰ ফলত প্রাতিপদিকৰ ৰূপ আৰু অর্থৰ তাৰতম্য ঘটে।

অধ্যায় ১৩ ঃ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ বচন আৰু লিঙ্গ

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য

13.2 পৰিচয়

13.3 সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ বচন

13.3.1 সংস্কৃতৰ বচন

13.3.2 পালি-প্রাকৃত-অপভ্রংশৰ বচন

13.3.3 সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ বচনৰ তুলনা

13.4 সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ লিংগ

13.4.1 সংস্কৃতৰ লিংগ

13.4.2 পালি-প্রাকৃত-অপভ্রংশৰ লিংগ

13.4.3 পালি-প্রাকৃত-অপভ্রংশৰ লিংগৰ তুলনা

13.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

13.6 অধিক জানিবলৈ

13.7 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

13.8 আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচন আৰু লিংগ সম্পর্কে এক সাধাৰণ ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব
- সংস্কৃত ভাষাৰ শব্দবিভক্তিৰ সৈতে বচন আৰু লিংগৰ সম্পর্ক কেনে ধৰণৰ সেই বিষয়ে অৱগত হ'ব
- সংস্কৃতৰ বচন আৰু লিংগ প্রকৰণে পালি-প্রাকৃত-অপভ্রংশ স্তৰত কেনে পৰিৱর্তন লাভ কৰিছে সেই বিষয়েও এটি ধাৰণা লাভ কৰিব পাৰিব
- তদুপৰি এই অধ্যায়টোত সংস্কৃত ভাষাৰ বচন আৰু লিংগৰ লগত পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচন আৰু লিংগৰ এক তুলনামূলক আলোচনা দাঙি ধৰা হ'ব। তাৰ জৰিয়তে সংস্কৃত বচন আৰু লিংগৰ লগত পালি-প্রাকৃত-অপভ্রংশৰ বচন আৰু লিংগৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহৰ বিষয়েও জানিবলৈ সক্ষম হ'ব।